অধ্যায় ১৩ ঃ শংকৰোত্তৰ যুগৰ সাহিত্য — ১

অধ্যায় গাঁথনি

১৩.১ উদ্দেশ্য

১৩.২ পৰিচয়

১৩.৩ শংকৰোত্তৰ যুগৰ সাহিত্যৰ পৰিচয়

১৩.৩.১ চৰিত সাহিত্য

১৩.৩.২ বুৰঞ্জী সাহিত্য

১৩.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১৩.৫ অধিক জানিবলৈ

১৩.৬ অগ্রগতিৰ খতিয়ান

১৩.৭ আৰ্হি প্ৰশ্ন

১৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- অসমীয়া সাহিত্যৰ বুৰঞ্জীৰ কোনখিনিক শংকৰোত্তৰ যুগৰ সাহিত্য বুলি কোৱা হয় সেই সম্পর্কে অৱগত হ'ব
- শংকৰোত্তৰ যুগৰ দুবিধ বিশেষ সাহিত্য — চৰিত আৰু বুৰঞ্জী সাহিত্যৰ বিষয়ে যথাযথ ব্যাখ্যা আগবঢ়াব পাৰিব।

১৩.২ পৰিচয়

ইতিমধ্যে আপুনি উদ্ভৱকালৰ অসমীয়া সাহিত্যৰ পৰা শংকৰী যুগৰ অসমীয়া সাহিত্য তথা লিপি আৰু শাসন সম্পর্কে অধ্যয়ন কৰিলে। শংকৰী যুগৰ ধর্মীয় বিষয়বস্তুক লৈ সাহিত্য ৰচনা কৰা ধাৰাটো পৰৱর্তী অষ্টাদশ শতিকামানলৈ অব্যাহত থাকে। সেই সময়ত উজনি অসমত আহোম ৰজাসকলৰ আৰু নামনি অসমত দৰঙী, কোচ ৰজাসকলৰ পৃষ্ঠপোষকতাত সাহিত্য চর্চাৰ পৰিৱেশ এটা গঢ় লৈ উঠিছিল। শংকৰদেৱ-মাধৱদেৱৰ পাছত তেওঁলোকৰ অনুগামী শিষ্যসকলে গুৰু দুজনাৰ আৰ্হিত কাব্য, গীত, নাট আদি ৰচনা কৰাৰ কাম অব্যাহত ৰাখে। লগতে এই সময়ছোৱাত চৰিত সাহিত্য, বুৰঞ্জী সাহিত্য আৰু ব্যৱহাৰিক সাহিত্য নামৰ তিনিপ্রকাৰৰ সুকীয়া সাহিত্যও সৃষ্টি হয়। শংকৰদেৱ-মাধৱদেৱৰ পাছৰ সময়ছোৱাৰ ভিতৰত ৰচিত এই সাহিত্যখনিকে কোৱা হয় শংকৰোত্তৰ যুগৰ অসমীয়া সাহিত্য। এই অধ্যায়টিত শংকৰোত্তৰ যুগৰ অসমীয়া সাহিত্যৰ কেইটামান দিশ আলোচনা কৰা হ'ব। আলোচনাৰ প্রসংগত শংকৰোত্তৰ যুগৰ

পটভূমি সম্পর্কে চমুকৈ আলোচনা কৰি চৰিত সাহিত্য আৰু বুৰঞ্জী সাহিত্য সম্পর্কে বহলাই আলোচনা কৰা যাব।

১৩.৩ শংকৰোত্তৰ যুগৰ সাহিত্যৰ পৰিচয়

মহাপুৰুষ শংকৰদেৱ আৰু তেওঁৰ অনুগামী প্ৰিয় শিষ্য মাধৱদেৱে ষোড়শ শতিকাত আৰম্ভ কৰা সাহিত্যৰ ধাৰাটো গুৰু দুজনাৰ তিৰোভাৱৰ পিছতো চলি থাকিল। গুৰু দুজনাৰ দেহাৱসানৰ পিছত তেৰাসৱৰ শিষ্য-প্ৰশিষ্যসকলে সাহিত্য ৰচনাৰ এই পৰম্পৰাটো আগু�ৱাই নিয়ে। বিশেষকৈ মাধৱদেৱে প্ৰতিষ্ঠা কৰা সত্ৰকেইখনে বৈষ্ণৱ সাহিত্যৰ পৰম্পৰাক আগবঢ়াই নিয়াত অগ্ৰণী ভূমিকা গ্ৰহণ কৰিছিল। এই সত্ৰসমূহৰ অধিকাৰ-মহন্তসকলে গুৰু দুজনাৰ পদাংক অনুসৰণ কৰি গীত-নাট-পদ আদি ৰচনা কৰিছিল। মন কৰিব যে মাধৱদেৱে গুৰু শংকৰদেৱৰ গুণানুকীৰ্তনেৰে 'চৰিত তোলা প্ৰথা' আৰম্ভ কৰিছিল। পৰৱৰ্তী কালত মাধৱদেৱ আদি মহাপুৰুষসকলৰ মৃত্যুৰ পাছত তেওঁলোকৰ কৰ্ম আৰু গুণাৱলী কীৰ্তন কৰাটোও সত্ৰীয়া ভকতসকলৰ এটা প্ৰধান কৰ্তব্য হৈ পৰিছিল। এই জীৱন-কাহিনীসমূহ পোনতে লিপিবদ্ধ হোৱা নাছিল; নাইবা শিষ্যসকলেও লিপিবদ্ধ কৰাৰ কথা ভবা নাছিল। কিন্তু কিছুকাল যোৱাৰ পাছতহে কিছুমান শিষ্যই গুৰু-পৰম্পৰা বাগৰি অহা কাহিনীবোৰ লিপিবদ্ধ কৰিলে। এই লিপিবদ্ধ কৰা গ্ৰন্থসমূহেই হ'ল 'চৰিত পুথি'।

সমসাময়িক আহোম স্বৰ্গদেউসকলৰ পৃষ্ঠপোষকতাত লিপিবদ্ধ হোৱা 'বুৰঞ্জী সাহিত্য'সমূহ হ'ল অসমীয়া সাহিত্যৰ আপুৰুগীয়া সম্পদ। ঠিক সেইদৰে এই সময়তে আহোম স্বৰ্গদেউসকলৰ লগতে নামনি অসমত দৰঙী, কোচ ৰজাসকলৰ পৃষ্ঠপোষকতাত সাহিত্য চৰ্চাৰ পৰিবেশ এটা গঢ় লৈ উঠিছিল। তাৰ ফলত সৃষ্টি হ'ল 'ব্যৱহাৰিক সাহিত্য' নামৰ আন এক শ্ৰেণীৰ সাহিত্য। এই তিনি শ্ৰেণীৰ সাহিত্যৰ উপৰি কথ্য ভাষালৈ *ৰামায়ণ*খনো এই সময়তে অনুবাদ হয়। লগতে বিভিন্ন পু�ৰাণ, *ৰামায়ণ, মহাভাৰত*ৰ আধাৰত বিবিধ কাব্য ৰচিত হ'বলৈ ধৰে। এই সকলোখিনিক সামৰিয়েই শংকৰোত্তৰ যুগৰ অসমীয়া সাহিত্যৰ ভাণ্ডাৰ সমৃদ্ধ।

১৩.৩.১ চৰিত সাহিত্য

অসমীয়া সাহিত্যৰ আহোম যুগ বা শংকৰোত্তৰ যুগৰ দুটি বিশিষ্ট দান হ'ল বুৰঞ্জী আৰু চৰিত পুথিসমূহ। আহোম ৰজাঘৰত বুৰঞ্জী আৰু বৈষ্ণৱ সত্ৰবোৰত ৰচিত চৰিত পুথিসমূহে এফালে যেনেকৈ সেই সময়ৰ অসমীয়াৰ জাতীয় জীৱনৰ চিত্ৰ দাঙি ধৰাত সহায় কৰিছে, আনফালে তেনেকৈ অসমীয়া গদ্য সাহিত্যলৈও প্ৰভূত সমল আগবঢ়াইছে।

চৰিত পুথি হৈছে মহাপুৰুষ শংকৰদেৱ-মাধৱদেৱ আৰু আন আন বৈষ্ণৱ ধৰ্ম প্ৰচাৰকসকলৰ জীৱনীমূলক গ্ৰন্থস্বৰূপ। এই গ্ৰন্থসমূহৰ ৰচক হৈছে তেৰাসৱৰ শিষ্য-

প্রশিষ্যসকল। শংকৰদেৱ, মাধৱদেৱ আদি মহাপুৰুষসকলৰ মৃত্যুৰ পাছত তেওঁলোকৰ কর্ম আৰু গুণাৱলী কীর্তন কৰাটো সত্রীয়া ভকতসকলৰ এটা প্রধান কর্তব্য হৈ পৰিছিল। এই ৰীতিটোক 'চৰিত তোলা প্রথা' বুলি জনা যায়। মহাপুৰুষ মাধৱদেৱে গুৰু শংকৰদেৱৰ গুণানুকীর্তনেৰে এই চৰিত তোলা প্রথাৰ আৰম্ভণি কৰে। এই জীৱন-কাহিনীসমূহ পোনতে লিপিবদ্ধ হোৱা নাছিল; নাইবা শিষ্যসকলেও লিপিবদ্ধ কৰাৰ কথা ভবা নাছিল। কিন্তু কিছুকাল যোৱাৰ পাছতহে কিছুমান শিষ্যই গুৰু-পৰম্পৰা বাগৰি অহা কাহিনীবোৰ লিপিবদ্ধ কৰিলে। এই লিপিবদ্ধ কৰা গ্রন্থসমূহেই হ'ল 'চৰিত পুথি'। চৰিত পুথিসমূহ হ'ল অসমীয়া বৈষ্ণৱ সাহিত্যৰ এটা প্রধান শাখা। এইবোৰৰ কেইখনমান গদ্যত আৰু সৰহভাগেই পদ্যত ৰচিত। সাধাৰণতে প্রথমে ৰচা চৰিত পুথিবোৰ ছন্দত আৰু পৰৱর্তীবোৰ গদ্যত ৰচিত। এতিয়ালৈকে পোহৰলৈ অহা পুথিৰ সংখ্যা ডেৰকুৰিখনমান হ'ব। ইয়াৰ ভিতৰত অকল শংকৰদেৱ-মাধৱদেৱৰ জীৱন চৰিতেই পাঁচ-ছয়খনমান।

পোন প্রথমে মহাপুৰুষ মাধৱদেৱৰ ভাগিনিয়েক ৰামচৰণ ঠাকুৰে *শংকৰ চৰিত* নামৰ চৰিত পুথি এখন প্রণয়ন কৰে বুলি কোনো কোনো পণ্ডিতে অভিমত দিয়ে। সেই হিচাপে পুথিখন খ্রীষ্টীয় ষোড়শ শতিকাৰ শেষ নাইবা সোতৰশ শতিকাৰ আদিভাগত ৰচিত বুলি অনুমান কৰা যায়। ৰামচৰণৰ পুতেক দৈত্যাৰি ঠাকুৰেও *শংকৰদেৱ-মাধৱদেৱ চৰিত্র* নামৰ চৰিত পুথি এখন প্রণয়ন কৰে। ইয়াৰ উপৰি ভূষণদ্বিজৰ *শংকৰ চৰিত*, ৰমানন্দ দ্বিজৰ *গুৰুচৰিত*, কৃষ্ণ ভাৰতীৰ *সন্ত নির্ণয়*, ৰামৰায় দ্বিজৰ *গুৰুলীলা*, ৰমানন্দৰ *বংশী গোপালদেৱৰ চৰিত*, ভৱানন্দ দ্বিজৰ *গোবিন্দ চৰিত*, ৰমাকান্তৰ *বনমালী দেৱৰ চৰিত*, বিদ্যানন্দ ওজাৰ *ঠাকুৰ চৰিত* আদি উল্লেখযোগ্য চৰিতপুথি। এই চৰিত পুথিসমূহ খ্রীষ্টীয় সোতৰশ শতিকাৰ মাজভাগলৈ ৰচিত।

তেনেদৰে, অষ্টাদশ শতিকাতো চৰিত সাহিত্যই বিশেষভাৱে বিকাশ লাভ কৰে। সপ্তদশ শতিকাৰ দৰে এইযুগতো সৰহভাগ চৰিত পুথি ছন্দত ৰচিত। কিন্তু গদ্যত ৰচা চৰিত পুথিকেইখনহে এই যুগৰ উল্লেখযোগ্য দান। সেই পুথিকেইখন অকল কলেৱৰতেই বৃহৎ নহয়, সেই যুগৰ গদ্য সাহিত্যৰ উৎকৃষ্ট নিদর্শন স্বৰূপেও তাৰ মূল্য অধিক। গদ্যত ৰচিত এনে দুখন উল্লেখযোগ্য চৰিত পুথি হ'ল— উপেন্দ্রচন্দ্র লেখাৰুদেৱৰ সম্পাদিত *কথা গুৰুচৰিত* আৰু লক্ষ্মীনাথ বেজবৰুৱাদেৱৰ *বাঁহী*ত প্রকাশিত আৰু বর্তমানে মহেশ্বৰ নেওগদেৱৰ সম্পাদিত *ৰৱদোৱা গুৰু চৰিত*। ইয়াৰ উপৰি বনমালীদেৱৰ সেৱক গোবিন্দদাসৰ *সপ্ত সম্প্রদায়* আৰু ভট্টদেৱৰ নামত প্রচলিত *সৎ সম্প্রদায় কথা* নামৰ গদ্যত ৰচিত চৰিত পুথি দুখনো এই শতিকাৰে ৰচনা। পদ্যত ৰচিত চৰিত পুথিসমূহৰ ভিতৰত নীলকণ্ঠ দাসৰ *দামোদৰ চৰিত*, কৃষ্ণ মিশ্রৰ *দামোদৰ চৰিত*, জয়নাৰায়ণৰ *লক্ষ্মীপতি চৰিত* আৰু *ৰামগোপাল চৰিত*, পূর্ণনন্দৰ *গোপালদেৱৰ চৰিত*, দ্বিজভবানন্দ মিশ্রৰ *গোবিন্দ চৰিত*, ৰামনাথ মহন্তৰ *সন্ত-মুক্তাৱলী*, বিভূনাথৰ *এটকা মহন্তৰ ৰুনা* আদি উল্লেখযোগ্য।

মন কৰিবলগীয়া যে চৰিতপুথিসমূহত মহাপুৰুষসকলৰ জীৱনৰ কাৰ্যাৱলী নাইবা দেশৰ বিভিন্ন অৱস্থাৰ কথা বৰ্ণিত হৈছে যদিও সম্পূৰ্ণ বাস্তৱতাৰ ভেটিত প্ৰতিষ্ঠিত বুলি ক'ব নোৱাৰি। চৰিত পুথিৰ ৰচকসকলে শংকৰদেৱ, মাধৱদেৱ আদি মহাপুৰুষক ঈশ্বৰৰ অৱতাৰ বুলি ধৰি লৈছিল। সেয়ে তেওঁলোকৰ কাৰ্যকলাপত ঐশ্বৰিক শক্তি, অলৌকিক মহিমা নিহিত হৈ থকা বুলি বৰ্ণনা কৰিছে। আনকি শংকৰদেৱৰ জন্ম-বৃত্তান্তত ভাগৱতত বৰ্ণিত শ্ৰীকৃষ্ণৰ অলৌকিক মহিমাৰ কথাকে আৰোপ কৰা হৈছে। উদাহৰণস্বৰূপে — ৰামচৰণ ঠাকুৰৰ *শংকৰ চৰিতত* উল্লেখ আছে —

দিব্য চতুৰ্ভুজ ৰূপ তেখনে ধৰিল।।
শংখ চক্ৰ গদা পদ্ম আছে তাৰ হাতে।
চাৰিও বাহুৱে তাৰ শৃংগ কাণে ধৰি।।...

চৰিত পুথিত সন্তসকলৰ গোটেই জীৱনৰ কাৰ্যাৱলীৰ উপৰি তেওঁলোকৰ পুৱাৰপৰা গধূলিলৈকে দৈনিক জীৱনৰ কাৰ্যৰ তালিকাও পোৱা যায়। সেই হিচাপে ই একপ্ৰকাৰ দিনলিপিৰেই কাম কৰিছে আৰু পৰোক্ষভাৱে শিষ্যসকলক সেইদৰে চলিবলৈ উদগনি দিছে। তদুপৰি, ধৰ্মপ্ৰচাৰৰ ক্ষেত্ৰত মহাপুৰুষ আৰু সন্ত-মহন্তসকলৰ মাজত কেনেদৰে মিলন ঘটিছিল তাৰো মনোৰম বৰ্ণনা চৰিত পুথিত পোৱা যায়। সন্ত-মহন্তসকলৰ মিলন, ধৰ্ম সম্পৰ্কীয় বাদ-বিসম্বাদ নাইবা ভ্ৰমণ-প্ৰসংগত দুই-এটি আমোদজনক আখ্যানো ইয়াত পোৱা যায়। এই আখ্যানবোৰে এহাতে যেনেকৈ বৰ্ণনাৰ গতানুগতিকতা ভাঙি সজীৱতা প্ৰদান কৰিছে, আনহাতে তেনেকৈ চৰিত পুথিবোৰ বেছি আকৰ্ষণীয়ও কৰি তুলিছে। তেনেদৰে, ধৰ্ম-প্ৰচাৰৰ কাৰণে মহাপুৰুষসকলে দেশৰ বিভিন্ন ঠাইত সত্ৰ, নামঘৰ আদি স্থাপন কৰাৰ বৰ্ণনাও এই চৰিত পুথিবোৰত পোৱা যায়। ভক্তি ভাবত ৰচিত হ'লেও চৰিত পুথিসমূহতো বুৰঞ্জীৰ দৰেই সমসাময়িক সমাজৰ সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক, ধাৰ্মিক, সাংস্কৃতিক আদি বিভিন্ন অৱস্থাৰ চিত্ৰ পোৱা যায়। সেই ফালৰ পৰা চৰিত পুথিক অসম বুৰঞ্জীৰ পৰিপূৰক নাইবা ভক্তিৰ ৰহনসনা জীৱনী বুলিও আখ্যা দিব পাৰি।

এইবোৰৰ উপৰি সাহিত্যিক গুণৰাজিৰ ফালৰ পৰাও চৰিত পুথিসমূহৰ মূল্য অপৰিসীম। পদ্যত ৰচিত চৰিত পুথিসমূহৰ বিভিন্ন ঠাইত পদ, দুলড়ী, ছবি, লেচাৰী, ঝুনা, ঝুমুৰী আদি বিভিন্ন ছন্দৰ প্ৰয়োগ ঘটিছে। তেনেদৰে, গদ্য-সাহিত্যৰ ফালৰপৰাও *কথা-গুৰুচৰিত, বৰদোৱা-চৰিত* আদিৰ মূল্য অধিক। এইবোৰ মধ্যযুগৰ অসমীয়া গদ্য সাহিত্যৰ উৎকৃষ্টতম নিদৰ্শন। এই গদ্য সত্ৰীয়া ভকতসকলৰ কথিত ভাষাক ভেটি কৰি ৰচিত। ইয়াৰ উপৰি উপমা, ৰূপক, ফকৰা-যোজনা, খণ্ডবাক্য, দৃষ্টান্ত, পদ-পুথিৰ উদ্ধৃতি আদিৰ ব্যৱহাৰে পুথিকেইখন বেছি ৰসাল কৰি তুলিছে। চুটি চুটি বাক্য আৰু প্ৰত্যক্ষ উক্তিৰ ব্যৱহাৰে নাটকীয় গুণ বঢ়াইছে। সহজ-সৰল আৰু পোনপটীয়া ভাষাৰ প্ৰয়োগ, প্ৰাচীন অসমীয়া গদ্যৰ ঠাঁচ, প্ৰচলিত কথ্যৰীতিৰ প্ৰয়োগ, ভাষাৰ কোমলতা, যুৰীয়া

আৰু অনুৰূপ শব্দৰ সুন্দৰ প্ৰয়োগ আদিয়ে চৰিত পুথিসমূহক এক বিশিষ্ট মাত্ৰা প্ৰদান কৰিছে। "কটাৰ পো কটাহঁত, মূৰ তুলি ফুৰিছে, পাৰো কি চাৰো।"— আদিৰ দৰে খণ্ডবাক্য; "আগে উপজিল চোট ভাই পাচে উপজিল কাকা, কেৰ্ মেৰ্ কৈ মাক উপজিল, তেহে উপজিল বাবা।" — আদিৰ দৰে ফকৰাৰ প্ৰয়োগে ইয়াত সোণত সুৰগা চৰাইছে।

এইদৰে চৰিত পুথিসমূহে বৈষ্ণৱ মহাপুৰুষসকলৰ জীৱন-কাহিনী বিস্তৃতভাৱে জানিবলৈ সুবিধা দিয়াৰ লগতে পৰৱৰ্তী কালৰ জীৱনী লিখিবলৈ অনুপ্ৰেৰণা যোগাইছে। সেয়েহে, অসমীয়া সাহিত্যৰ বুৰঞ্জীত চৰিত পুথিসমূহৰ স্থান আৰু মূল্য অপৰিসীম।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ শুদ্ধ নে অশুদ্ধ নিৰ্ণয় কৰক —

(ক) চৰিত পুথিসমূহ আৰু বুৰঞ্জী সাহিত্য শংকৰোত্তৰ যুগত সৃষ্টি হৈছিল।

(খ) চৰিত পুথিসমূহ কেৱল মাধৱদেৱৰ জীৱনীমূলক গ্ৰন্থ।

(গ) প্ৰথম চৰিত পুথিখন হ'ল ৰামচৰণ ঠাকুৰ প্ৰণীত *শংকৰ চৰিত*।

(ঘ) *বংশী গোপালদেৱৰ চৰিত* প্ৰণয়ন কৰিছিল ৰমাকান্তই।

(ঙ) চৰিত পুথিসমূহত বহু অলৌকিক কথা-কাণ্ড লিপিবদ্ধ আছে।

(চ) চৰিত পুথিসমূহৰ গদ্য সত্ৰৰ ভকতসকলৰ কথিত গদ্যৰ ভেটিত আধাৰিত।

.....

১৩.৩.২ বুৰঞ্জী সাহিত্য

অসমীয়া সাহিত্যলৈ আহোম ৰজাসকলৰ একচেটিয়া আৰু অভূতপূৰ্ব অৱদান হৈছে বুৰঞ্জীসমূহ। 'বুৰঞ্জী' শব্দ আহোম ভাষাৰ। ইয়াৰ প্ৰকৃত অৰ্থ (বু- মূৰ্খ, ৰণ্- শিক্ষা, জী- ভঁৰাল) মূৰ্খৰ জ্ঞানৰ ভঁৰাল বা নজনা কথাৰ ভঁৰাল। বুৰঞ্জী সাহিত্যৰ গুণাৱলীলৈ লক্ষ্য ৰাখি ভাষাতত্ত্ববিদ পণ্ডিত সুনীতি কুমাৰ চট্টোপাধ্যায়ে কৈছে— "অসমৰ প্ৰাচীন বুৰঞ্জী সাহিত্য ভাৰতীয় ভাষাবিলাকৰ মাজত একক আৰু অতুলনীয়।"

আদিম যুগৰে পৰা আহোমসকলৰ মাজত বুৰঞ্জী লিখা প্ৰথা চলি আহিছিল। *দেওধাই অসম বুৰঞ্জীত* আছে স্বৰ্গদেউ চুকাফাই অসমত প্ৰৱেশ কৰাৰ লগে লগে আহোম পণ্ডিতক "যেতিয়া যি কথা যি কৰে, যাক পাঁও সকল কথা পণ্ডিতে লেখি ৰাখিব।"— বুলি আদেশ দিছিল। আহোমসকলে বুৰঞ্জী লিখা আৰু সংৰক্ষণ কৰাটো এটা প্ৰধান আৰু পৱিত্ৰ কৰ্ম বুলি বিবেচনা কৰিছিল। বুৰঞ্জী ৰজা আৰু ডা-ডাঙৰীয়াৰ ল'ৰা-ছোৱালীৰ শিক্ষাৰ এটা প্ৰধান বিষয় আছিল। বিয়াত বেদমন্ত্ৰ গোৱাৰ দৰে আহোমসকলে বিয়াৰ সময়ত চকলং কৰোঁতে বুৰঞ্জী পাঠ কৰাটো নিয়ম আছিল। ইয়াৰ

পৰাই বুজিব পাৰি যে বুৰঞ্জীক ধর্মশাস্ত্রৰ দৰেই পৱিত্র জ্ঞান কৰা হৈছিল।

বুৰঞ্জীসমূহৰ সঠিক ৰচনাকাল নির্ণয় কৰা টান যদিও বিৰিঞ্চি কুমাৰ বৰুৱাদেৱে ষোল্ল শতিকাৰ শেষ ভাগৰ পৰা ঊনবিংশ শতিকালৈ বুৰঞ্জী ৰচনাৰ ধাৰা অব্যাহত আছিল বুলি মত প্রকাশ কৰিছে। আহোম যুগত হাজাৰৰো অধিক বুৰঞ্জী হৈছিল বুলি অনুমান কৰা হয়। কিন্তু অসমৰ সেমেকা জলবায়ু, বানপানী, পোক-পৰুৱাৰ উৎপাত, মোগল আৰু মান-মৰাণৰ আক্রমণত অনেক বুৰঞ্জী চিৰদিনৰ বাবে লোপ পালে। তদুপৰি, কীর্তিচন্দ্র বৰুৱাৰ বুৰঞ্জীদাহ এটি বুৰঞ্জী প্রসিদ্ধ দুর্ঘটনা। এতিয়ালৈকে মাত্র ডেৰশমান বুৰঞ্জী উদ্ধাৰ হৈছে আৰু সেইবোৰ অসমৰ কেইবাটাও বিদ্যায়তনিক অনুষ্ঠানত সংৰক্ষিত হৈছে। প্রসিদ্ধ বুৰঞ্জীবিদ সূর্য্য কুমাৰ ভূঞাদেৱে বিষয়বস্তু আৰু সময়ৰ ফালৰ পৰা অসমৰ বুৰঞ্জীসমূহক তিনিটা শাখাত বিভক্ত কৰিছে —

(১) ৰজা ভগদত্তৰ দিনৰেপৰা আহোম ৰাজত্বৰ আৰম্ভণিলৈ প্রাচীন কামৰূপৰ হিন্দু ৰজাসকলৰ অসংলগ্ন ইতিহাস

(২) আহোম ৰজাসকলৰ ১২২৮ খ্রীঃৰ পৰা তেওঁলোকৰ ৰাজত্বৰ শেষ কাললৈকে বা ১৮৩৮ খ্রীঃ বা তাৰো পিছলৈ থকা আহোম ৰাজ্যৰ বুৰঞ্জী

(৩) অসমৰ বাহিৰে ওচৰ-চুবুৰীয়া অন্য দেশৰ বুৰঞ্জী।

প্রথম শাখাৰ ঐতিহাসিক নিদর্শন সূর্য্য কুমাৰ ভূঞাদেৱৰ সম্পাদিত গ্রন্থ *কামৰূপৰ বুৰঞ্জী*, মহামহোপাধ্যায় পদ্মনাথ ভট্টাচার্য প্রণীত *কামৰূপ শাসনাৱলী* আৰু ইয়াৰ ভূমিকা 'কামৰূপ ৰাজাৱলী' আদিত পোৱা যায়। এই শাখাৰ বুৰঞ্জী বহু ৰজা-মহাৰজাৰ চৰিত্রৰ বা কার্যাৱলী, পৌৰাণিক কাহিনী বা কিংবদন্তিৰ ওপৰত প্রতিষ্ঠিত। তেনেদৰে দ্বিতীয় শাখাৰ বুৰঞ্জীবোৰৰ ভিতৰত পণ্ডিত হেমচন্দ্র গোস্বামীয়ে সম্পাদনা কৰা *পুৰণি অসম বুৰঞ্জী*, ৰাজমন্ত্রী আতন বুঢ়াগোহাঁই প্রণীত *বাঁহগড়ীয়া বুৰঞ্জী*, স্বর্গদেউ গদাধৰ সিংহৰ ৰাজত্ব কাললৈকে বর্ণিত *পুৰণি অসম বুৰঞ্জী* আৰু সুকুমাৰ মহন্তৰ ঘৰত পোৱা *অসম বুৰঞ্জী* সপ্তদশ শতিকাত ৰচিত। এই শাখাৰ অন্তর্গত *তুংখুঙীয়া বুৰঞ্জী* শ্রীনাথ বৰুৱাই ১৮০৩ খ্রীঃত ৰচনা কৰে। এই বুৰঞ্জীত গদাধৰ সিংহৰ পৰা চন্দ্রকান্ত সিংহৰ দিনলৈকে আহোম ৰাজত্বৰ বিৱৰণ আছে। সেইদৰে কাশীনাথ তামুলী ফুকন আৰু ৰাধানাথ বৰবৰুৱাৰ দ্বাৰা ৰচিত *অসম বুৰঞ্জী পুথি* আৰু হৰকান্ত বৰুৱা সদৰামিনৰ *অসম বুৰঞ্জী*ত প্রাচীন কালৰ পৰা আহোম ৰাজত্বৰ শেষলৈকে ৰাজ্যৰ বর্ণনা আছে। *দেওধাই অসম বুৰঞ্জী*ত আহোমসকলৰ পুৰণি ইতিহাস পোৱা যায়। দুতিৰাম স্বর্ণকাৰ হাজৰিকাই ছন্দত ৰচনা কৰা *কলি ভাৰত* আৰু বিশ্বেশ্বৰ বৈদ্যাধিপে *বেলিমাৰৰ বুৰঞ্জী* গ্রন্থত আহোম ৰাজত্বৰ শেষ কালৰ কথা বর্ণনা কৰিছে। তৃতীয় শাখাৰ বুৰঞ্জীসমূহত আহোম স্বর্গদেউসকলৰ সংস্পর্শলৈ অহা ওচৰ-চুবুৰীয়া ৰজা আৰু তেওঁলোকৰ ৰাজ্যৰ বিৱৰণ আছে। এনে বুৰঞ্জীৰ ভিতৰত *কছাৰী বুৰঞ্জী*ত প্রাচীন কালৰে পৰা ৰুদ্রসিংহৰ সমসাময়িক কছাৰী ৰজা তাম্রধ্বজৰ দিনলৈকে কছাৰী ৰাজ্যৰ বিৱৰণ পোৱা যায়। *জয়ন্তীয়া*

*বুৰঞ্জী*ত পুৰণি কালৰে পৰা স্বৰ্গদেউ শিৱসিংহৰ দিনলৈ জয়ন্তীয়া আৰু খৈৰাম (খাচি) ৰজাৰ বিৱৰণ আৰু আহোম ৰজাৰ লগত থকা সম্বন্ধৰ কথা সন্নিৱিষ্ট হৈছে। *ত্রিপুৰা বুৰঞ্জী* স্বৰ্গদেউ ৰুদ্রসিংহৰ দিনৰ সমসাময়িক ত্রিপুৰা দেশৰ ৰাজনৈতিক, অর্থনৈতিক, সামাজিক আদি অৱস্থা লৈ ৰচিত। *পাদশ্যাহ বুৰঞ্জী*ত টাইমুৰৰ ভাৰত আক্রমণ, মোগল বাদছাহ হুমায়ুন, ছাহজাহান, ঔৰংগজেৰ আদিৰ ৰাজত্ব সম্পর্কে নানা বিৱৰণ আছে। উল্লিখিত বুৰঞ্জীসমূহৰ উপৰি আহোম যুগৰ ৰজা বা ডা-ডাঙৰীয়াসকলৰ অনুপ্রেৰণা বা গাইগুটীয়া প্রচেষ্টাত আৰু অসংখ্য বুৰঞ্জী ৰচিত হয়। অৱশ্যে এতিয়াও বহুত বুৰঞ্জী অনাৱিষ্কৃত অৱস্থাত মানুহৰ ধোঁৱাচাঙত পৰি ৰৈছে। আহোম যুগত হাজাৰৰো অধিক বুৰঞ্জী ৰচিত হৈছিল বুলি অনুমান কৰা হয়। কিন্তু অসমৰ সেমেকা জলবায়ু, বানপানী, পোক-পৰুৱাৰ উৎপাত, মোগল আৰু মান-মৰাণৰ আক্রমণত অনেক বুৰঞ্জী চিৰদিনৰ বাবে লোপ পালে। তদুপৰি, কীর্তিচন্দ্র বৰুৱাৰ বুৰঞ্জীদাহ এটি বুৰঞ্জী প্রসিদ্ধ দুর্ঘটনা। এতিয়ালৈকে মাত্র ডেৰশমান বুৰঞ্জী উদ্ধাৰ হৈছে আৰু সেইবোৰ অসমৰ কেইবাটাও বিদ্যায়তনিক অনুষ্ঠানত সংৰক্ষিত হৈছে।



জানি থোৱা ভাল

বুৰঞ্জী সাহিত্যৰ পণ্ডিত লীলা গগৈয়ে আহোম যুগৰ বুৰঞ্জীসমূহক ইয়াৰ বিষয়বস্তুলৈ লক্ষ্য কৰি কেইটামান বেলেগ ভাগত শ্রেণীবদ্ধ কৰি দেখুৱাইছে — (ক) প্রাক্-আহোম যুগৰ বুৰঞ্জী, (খ) আহোম যুগৰ বুৰঞ্জী, (গ) দাঁতিঅলীয়া বুৰঞ্জী, (ঘ) অন্য ৰাজ্যৰ বুৰঞ্জী, (ঙ) কটকী বুৰঞ্জী, (চ) চকীয়ালৰ বুৰঞ্জী আৰু (ছ) চাং-ৰুং ফুকনৰ বুৰঞ্জী।

মন কৰিবলগীয়া যে আধুনিক সমালোচকসকলে সংবাদ-সাহিত্য; আলোচনী সাহিত্য আদিৰ দৃষ্টিৰে পুৰণি অসম বুৰঞ্জীসমূহক 'বুৰঞ্জী সাহিত্য' আখ্যা দিছে। ৰাজনীতিৰ দৰে অতি নীৰস আৰু কঠোৰ ঘটনাৰ মাজৰ পৰা সাহিত্যিক ৰস নিগৰি ওলোৱা দৃষ্টান্ত ভাৰতীয় সাহিত্যত বিৰল। দৰাচলতে, সাহিত্যিক উপাদান পৰিলক্ষিত হোৱা বাবেই অসম বুৰঞ্জীসমূহক সাহিত্যৰ শ্রেণীভুক্ত কৰা হৈছে। এই বুৰঞ্জীসমূহ ৰাজনৈতিক সমলৰ বাবেই নহয়, ভাষাৰ বাবেও মহত্ত্বপূর্ণ। পুৰণি বুৰঞ্জীসমূহৰ সবাতোকৈ মূল্যৱান কীর্তি হ'ল তাৰ গদ্যৰীতি। থলুৱা জীৱনৰ মাত-কথাই ইয়াৰ মূল ভেটি। অর্থাৎ বুৰঞ্জীৰ ভাষা প্রাঞ্জল, সৰল, পোনপটীয়া আৰু কথিত ভাষাৰ বেছি ওচৰ চপা। ঐতিহাসিক ব্যক্তিসকলৰ প্রত্যক্ষ উক্তি থকাত বুৰঞ্জীয়ে নাটকীয় গুণ লাভ কৰিছে। তদুপৰি ঘৰুৱা উপমা, খণ্ডবাক্য আদিয়ে ইয়াৰ সাহিত্যিক সৌন্দর্য বঢ়াইছে। উদাহৰণস্বৰূপে— 'তিতা গছৰ আগো তিতা, গুৰিও তিতা'; 'পিঠি দিলে হাতী পর্বতকে নেদেখি'; 'বাৰীৰ ভিতৰত পুখুৰী সিচোঁতেও আঠোটা দহোটা মানুহক শিঙীয়ে ফুটে'; 'নেজকটা বাঘকহে এৰিল'; 'বুঢ়াৰ হাতত চেঙেলি

পৰিলে'; 'তলে-পুতল' আদি। বুৰঞ্জীত 'লেহেতীয়া', 'আগৰি', 'খাৰছাই' আদি অধুনা অপ্রচলিত শব্দৰ লগতে বাংলা, হিন্দী, ফাৰ্চী আদি ভাষাৰ শব্দৰ ব্যৱহাৰো মন কৰিবলগীয়া। পূৰ্বৰ গদ্যত থকা কাব্যিকতা, অনাৱশ্যক জটিলতা পৰিহাৰ কৰি বুৰঞ্জীৰ গদ্যই সৰলতৰ ৰূপ পৰিগ্রহ কৰিছে। সেয়েহে ক'ব পাৰি, বুৰঞ্জীবোৰ প্রধানতঃ ৰাজনৈতিক তথ্যভিত্তিক হ'লেও সামগ্রিকভাৱে এইবোৰ সাহিত্যিক গুণেৰেহে ৰসযুক্ত হৈছে।

নিৰপেক্ষতা বুৰঞ্জীসমূহৰ এটা বিশেষত্ব। বুৰঞ্জীসমূহত ঘটনাৰ বিৱৰণ ক্রমানুসাৰে শৃঙ্খলাবদ্ধ ৰূপত কৰা হয়। ফলত চন-তাৰিখৰ বিভ্রান্তি সততে নঘটে। বুৰঞ্জীসমূহত বর্ণনীয় বিষয়ৰ প্রকৃতি আৰু চৰিত্রৰ মানসিক অৱস্থাৰ বা অনুভূতিৰ তীব্রতাৰ মাত্রা অনুসৰি ভাষাক গঢ় দিয়া হৈছে। উদাহৰণস্বৰূপে— "মই মাটিৰ গড় বান্ধিম খহিব, কাঠৰ গড় বান্ধিম পচিব, মই কথাৰ গড় বান্ধি দিছো প্রাণ পৰি ভূগী হ'ব।" সেইদৰে বুৰঞ্জীৰ গদ্যত ধ্বনিতত্ত্ব, ৰূপতত্ত্ব, শব্দতত্ত্ব আৰু বাক্যতত্ত্বৰ ক্ষেত্রত কেতবোৰ বৈশিষ্ট্যপূর্ণ লক্ষণ পৰিলক্ষিত হয়। ধ্বনিতাত্ত্বিক দিশেৰে বিচাৰ কৰিলে দেখা যায় যে ইয়াৰ গদ্যত 'অ'ৰ পৰিৱর্তে 'আ', 'এ', 'ও', 'ই'ৰ প্রয়োগ আছে। যেনে — নাবাবৰ (নবাবৰ), বাৰেহাত (বাৰহাত), বৰিষনে (বৰষুণে) আদি। 'ঐ'ৰ ঠাইত 'এ', 'অ'ৰ প্রয়োগ। যেনে — সন্য (সৈন্য), উনেশ (ঊনৈশ)। ৰূপতাত্ত্বিক দিশেৰে সর্বনামৰ ক্ষেত্রত বুৰঞ্জীত পুৰণি অসমীয়া সর্বনামৰ প্রয়োগ মন কৰিবলগীয়া। উদাহৰণস্বৰূপে— মঞি, তঞি, কেমন, যতেক আদি। বিশেষণ প্রয়োগৰ ক্ষেত্রত আধুনিক অসমীয়াৰ লগত বুৰঞ্জীৰ যথেষ্ট সাদৃশ্য লক্ষ্য কৰা যায়। বুৰঞ্জীৰ গদ্যলৈ লক্ষ্য কৰিলে এইটোও দেখা পোৱা যায় যে বর্ণনামূলক বাক্য, প্রশ্নসূচক বাক্য, উপদেশমূলক বাক্য, চুটি আৰু দীঘল বাক্য, সৰল, জটিল আৰু যৌগিক বাক্যই বুৰঞ্জীৰ বিষয়বস্তুক যথার্থ ৰূপত উপস্থাপন কৰিবলৈ প্রয়াস কৰিছে। সেই লক্ষণ আৰু পৰিৱর্তনসমূহৰ প্রতি লক্ষ্য কৰিলে আমাৰ বোধগম্য হ'ব যে বুৰঞ্জীৰ গদ্যই ক্রমাৎ আধুনিক অসমীয়া গদ্যৰ ফালে গতি কৰাৰ প্রৱণতা এটাৰ ইংগিত দিছিল।

সূর্য্য কুমাৰ ভূঞাই সম্পাদনা কৰি প্রকাশ কৰা *পাদশ্যাহ বুৰঞ্জীত* কোৱাৰ দৰে ক'ব পাৰি "বুৰঞ্জীৰ কথাখিনি শুকান হাড়ছাল নহয়, তাত ভাবৰ সাবেশ আৰু আবেগৰ সৌৰভ লক্ষ্য কৰিব পাৰি। বুৰঞ্জী আৰু সাহিত্যৰ এনে অপূর্ব ত্রিবেত্রী সংগম ব্রিটিছৰ পূর্ব যুগৰ কোনো ভাৰতীয় প্রাদেশিক সাহিত্যতে দেখিবলৈ পোৱা নাযায় বুলি ক'লেও সত্যৰ অপলাপ নহয়।"

সেয়েহে ক'ব পাৰি বুৰঞ্জীবোৰত ৰজা আৰু বিষয়াসকলৰ কার্যকলাপৰ লগতে দেশৰ সামাজিক, অর্থনৈতিক, ধার্মিক, সাংস্কৃতিক আদি অৱস্থাৰ কথা বর্ণিত হৈছে যদিও ভাষা আৰু গদ্যৰ ফালৰ পৰাও বুৰঞ্জীসমূহৰ মূল্য অসমীয়া সাহিত্যত চিৰ সমুজ্জ্বল। ছাৰ জর্জ আব্রাহাম গ্রীয়ার্ছনে *Linguistic Survey of India* গ্রন্থত অসমীয়া বুৰঞ্জী সাহিত্যৰ বিষয়ে দিয়া মন্তব্যৰেই ক'ব পাৰি—

The Assamese people are justly proud of their national literature.

In no department have they been more successful than in a branch of study in which India, as a rule is curiously deficient. The historical works or *Buranjis* are numerous and voluminous. A knowledge of the *Buranjis* was an indispensable qualification to an Assamese gentleman.



চিন্তা-চৰ্চা কৰক —১৩.১

লীলা গগৈ ৰচিত *বুৰঞ্জী সাহিত্য* নামৰ পুথিখনিৰ সহায় লৈ অসমীয়া বুৰঞ্জী সাহিত্য বিষয়ত এটি প্ৰবন্ধ ৰচনা কৰক।

.....

.....

.....

.....



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ২ ঃ শুদ্ধ নে অশুদ্ধ নিৰ্ণয় কৰক—

(ক) সূৰ্য্য কুমাৰ ভূঞাদেৱে বিষয়বস্তু আৰু সময়ৰ ফালৰ পৰা অসমৰ বুৰঞ্জীসমূহ চাৰি ভাগত ভাগ কৰিছিল।

(খ) *বেলিমাৰৰ বুৰঞ্জী*ৰ প্ৰণেতা বিশ্বেশ্বৰ বৈদ্যাধিপ।

(গ) বুৰঞ্জীদাহ কাৰ্য সংঘটিত হৈছিল কীৰ্তিচন্দ্ৰ বৰবৰুৱাৰ আদেশত।

(ঘ) 'বুৰঞ্জী' শব্দটি আহোম শব্দ।

.....



১৩.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- অসমীয়া সাহিত্যৰ শংকৰী যুগৰ পাছৰ যুগটোকেই কোৱা হয় শংকৰোত্তৰ যুগ। এই যুগত শংকৰদেৱ-মাধৱদেৱৰ ৰচনাৰ আদৰ্শতে তেওঁলোকৰ শিষ্যসকলে কাব্য, গীত, নাট আদি ৰচনা কৰে। এই সময়ছোৱাতে সাহিত্য ৰচনাত গদ্যৰ বহুল প্ৰয়োগ হৈছিল।
- শংকৰদেৱৰ গুণ-গৰিমা কীৰ্তনেৱে আৰম্ভ হোৱা চৰিত তোলা প্ৰথাৰ পৰাই এই সময়ছোৱাত চৰিত সাহিত্য নামেৰে এক বিশেষ শ্ৰেণীৰ সাহিত্যৰ সৃষ্টি হয়। অধ্যায়টোত এই শ্ৰেণীৰ

সাহিত্যৰ বিষয়ে বহলাই আলোচনা কৰা হ'ল।

- চৰিত সাহিত্যৰ দৰে বুৰঞ্জী সাহিত্য শংকৰোত্তৰ যুগৰ অভিনৱ অৱদান। এই দুবিধ সাহিত্যই অসমীয়া সাহিত্যত দুটা নতুন ধাৰাৰ সংযোগ ঘটায়। ফলত অসমীয়া সাহিত্যৰ বুৰঞ্জীত এই যুগটোৱে এক সুকীয়া মর্যাদা লাভ কৰিবলৈ সক্ষম হৈছে।



১৩.৫ অধিক জানিবলৈ

১) গগৈ, লীলা (২০০২); *বুৰঞ্জী সাহিত্য*; গুৱাহাটী ঃ বনলতা।

২) নেওগ, মহেশ্বৰ (২০০০); *অসমীয়া সাহিত্যৰ ৰূপৰেখা*; গুৱাহাটী ঃ চন্দ্র প্রকাশ।

৩) নেওগ, মহেশ্বৰ (সম্পাঃ) (১৯৮৬); *গুৰু-চৰিত-কথা*; গুৱাহাটী ঃ গুৱাহাটী বিশ্ববিদ্যালয়।

৪) ফুকন পাটগিৰি, দীপ্তি (১৯৯৭); *মধ্যযুগৰ অসমীয়া ভাষা-সাহিত্যৰ ৰেঙনি*; গুৱাহাটী ঃ বনলতা।

৫) বর্মন, শিৱনাথ (সম্পাঃ) (১৯৯৭); *অসমীয়া সাহিত্যৰ বুৰঞ্জী, দ্বিতীয় খণ্ড*; গুৱাহাটী ঃ আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা।

৬) ভূঞা, সূর্য্য কুমাৰ (সম্পাঃ)(১৯৮৮); *অসম বুৰঞ্জী*; গুৱাহাটী ঃ অসম চৰকাৰৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগ।

৭) ভূঞা, সূর্য্য কুমাৰ (সম্পাঃ)(১৯৬৪); *সাতসৰী অসম বুৰঞ্জী*; গুৱাহাটী ঃ গুৱাহাটী বিশ্ববিদ্যালয়।

৮) শর্মা, সত্যেন্দ্রনাথ (২০০৯); *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত*; গুৱাহাটী ঃ সৌমাৰ প্রকাশ।

৯) শর্মা, হেমন্ত কুমাৰ (২০০৭); *অসমীয়া সাহিত্যত দৃষ্টিপাত*; গুৱাহাটী ঃ বীণা লাইব্রেৰী।



১৩.৬ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ ক) শুদ্ধ খ) অশুদ্ধ গ) শুদ্ধ ঘ) অশুদ্ধ ঙ) শুদ্ধ চ) শুদ্ধ

২ নং প্রশ্নৰ উত্তৰ ঃ ক) অশুদ্ধ খ) শুদ্ধ গ) শুদ্ধ ঘ) শুদ্ধ



১৩.৭ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ বুৰঞ্জী সাহিত্য কাৰ পৃষ্ঠপোষকতাত গঢ় লৈ উঠিছিল?

প্ৰশ্ন ২ ঃ চৰিত সাহিত্যত কাৰ জীৱনৰ কথা বৰ্ণনা কৰা হৈছে —

আহোম ৰজাৰ/দৰঙী ৰজাৰ/বৈষ্ণৱ ধৰ্মৰ গুৰুসকলৰ /বৈষ্ণৱযুগৰ কবিসকলৰ।

খ) চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ চৰিত তোলা প্ৰথা বুলিলে কি বুজে?

প্ৰশ্ন ২ ঃ শংকৰোত্তৰ যুগত ৰচিত বুৰঞ্জী কেইখনমানৰ নাম লিখক।

গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ চৰিত সাহিত্য বুলিলে কি বুজে? অসমীয়া চৰিত সাহিত্য সম্পৰ্কে এটি আলচ যুগুত কৰক।

প্ৰশ্ন ২ ঃ শংকৰোত্তৰ যুগত ৰচিত বুৰঞ্জী সাহিত্যৰ বিষয়ে বহলাই আলোচনা কৰক।

*** ***** ***